# তিনিকুৰি দহ বছৰৰ আগৰ কথা

তিনিকুৰি দহ বছৰৰ আগৰ কথা। সেই সময়ত অসমৰ সমাজৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, তিৰোতাসকলৰ সামাজিক অৱস্থা কেনেকুৱা ধৰণৰ আছিল সেই বিষয়ে আজিৰ মানৰ সমাজ একেবাৰে অবিদিত বুলি ক'লেও বঢ়াই কোৱা নহব।

সেই সময়ৰ ভদ্ৰ সমাজৰ ঘৰ দুৱাৰ থকামেলাৰ নিয়ম-কাৰণৰ লগত আজিৰ অভিজাত সমাজে কোনো সামঞ্জস্য ৰাখি চলিছে বুলি মনে নধৰে।

সেই সময়ত মানুহৰ ঘৰৰ ব্যৱস্থা তলত দিয়া মতে কৰা হৈছিল: ঘৰৰ দুখন চোতাল আছিল— আগ চোতাল আৰু পিচচোতাল। চৰা ঘৰৰ সম্মুখৰ চোতালক আগ চোতাল বোলা হৈছিল। শোৱা ঘৰ, ৰান্ধনী ঘৰ, নামঘৰ আদিৰ সমুখত থকা চোতালক পিচ চোতাল বোলা হৈছিল। আগ চোতাল পিচ চোতালৰ মাজত বাঁহৰ চকোৱাৰ বেৰ আছিল। ঘৰৰ তিৰোতাসকল আগ চোতাললৈ যোৱা নিষেধ। বাহিৰৰ মানুহে পিচ চোতালত প্ৰবেশ কৰিব নোৱাৰে।

ছোৱালীক অভিভাবকে শাসনত প্ৰতিপালন কৰা বুলিলেও বঢ়াই কোৱা নহয়। ছয়-সাত বছৰলৈকে ছোৱালীয়ে মুকলি-

মুৰীয়া ভাৱে উমলি-জামলি ফুৰিব পাৰিছিল। বাহিৰ চোতাল বা পদূলিমুখলৈ যোৱাটো তেওঁবিলাকৰ ক্ষেত্ৰত বাধা নাছিল।

কিন্তু যেই ছোৱালীয়ে কন্যাকাল প্ৰাপ্ত হয়, সেইদিনাৰ পৰাই তেওঁবিলাকে আগৰ দৰে ওলাই সোমাই ফুৰিব নোৱাৰা হয়। কন্যাকাল হোৱা মানেই ছোৱালী বিয়া দিবলৈ লায়েক হোৱা বুলি ধৰা হয়। কিন্তু বামুণৰ ছোৱালীক কন্যাকাল হোৱাৰ পূৰ্বেই ধৰম বিয়া দিয়া নিয়ম, নহ'লে ছোৱালীৰ পৰিয়ালে সমাজৰ বাহিৰ হোৱা নিয়ম আছিল।

কন্যাকাল হ'লেই ছোৱালী নোৱাই ধোৱাৰ তোলনী বিয়া পতা হয়। এইখন ছোৱালীৰ সৰু-সুৰা বিয়াৰ নিচিনাই। প্ৰথম চাৰিদিন ছোৱালীক ঘৰৰ ভিতৰত পুৰুষ মানুহে দেখিব নাপায় বুলি কাপোৰ তৰি বেঢ়ি থয়। ফল-মূল, বুট, গাখীৰ আদি এবেলা খাবলৈ দিয়ে। গধূলি হবিচ-ভাত খাবলৈ দিয়া হয়। ছোৱালীয়ে সেই কেইদিন বাহিৰলৈ ওলাব নোৱাৰে।

চাৰি-দিনৰ দিনা ছোৱালীক মাহ-হালধিৰে গা ধুৱায়, ওচৰ-চুবুৰীয়া তিৰোতাসকলক গা ধুৱাবলৈ মতা হয়। সাতদিনৰ দিনা তামোল-পাণেৰে ঘৰে ঘৰে বিয়ালৈ মতা হয়। সেই বিয়ালৈ কেৱল তিৰোতাসকলকহে মতা হয়। ডাঙৰ বিয়াৰ দৰেই অভ্যাগতক খুউৱা হয়। আয়তীসকলৰ মাজত ছোৱালীক মাহ-হালধিৰে গা ধুউৱা হয়। বেইৰ আগত কলগছ এজোপা পুতি দৰা পতা হয়। গা ধোৱা হলে কল গছ জোপাত কন্যাক সেৱা কৰোৱায়। তাৰ পিচত কন্যাক সমাজত বহুৱাই সজোৱা-পৰোৱা হয়। গামোছাৰে (ধোপৰ দৰে) "কনাই" সাজি কন্যাৰ কোলাত দিয়া হয়। মৰলৰ আগত ডাঙৰ বাটি এটাত এবাটি পানী থোৱা হয়। যিসকল তিৰোতাই বিয়াত যোগদান কৰে প্ৰত্যেকেই কন্যাৰ কোচৰ পৰা "কনাই"ক নিজৰ কোচত লৈ যাৰে যি ইচ্ছা যায় ১,,২৫,১০ টকালৈকে পানী বাটিত থৈ দিয়ে। সেইখিনি টকা ছোৱালীজনীয়ে পায়।

কন্যাকাল হলেই ছোৱালীয়ে কঠোৰ সংযমৰ ভিতৰেদিয়ে কাল কটাব লাগিব বুলি ভাবিয়েই, কন্যাকাল হোৱা সময়ত বেছিভাগ ছোৱালীয়ে বৰ কন্দা-কটা কৰিছিল।

ডাঙৰ হোৱাৰ লগে লগেই ছোৱালীৰ জীৱন-গতি পৰিবৰ্ত্তিত হয়। তেওঁবিলাকৰ চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ বেলেগ কৰিব লগাত পৰে আৰু সংযমেৰে কাল কটাব লগাত পৰে। এইখিনিতে মোৰ এটি ঘটনাৰ কথা মনত পৰে। এদিনাখন আমাৰ ঘৰৰ পদূলিয়েদি ঢোল, পেঁপা, মৃদঙ্গ বজাই এটি বিৰাট শোভাযাত্ৰা গৈছিল। আমি সৰু সৰু ছোৱালীবোৰে লৰমাৰি সেই শোভা-যাত্ৰা চাবলৈ বাহিৰলৈ ওলাই গলোঁ। আমাৰ বৰ বাইদেৱেও আমাৰ লগতে লৰমাৰি যাবলৈ ওলোৱাত, আমাৰ ডাঙৰ ককাইদেৱে তেওঁক ওভোতাই আনি ভিতৰ চোতালৰ পৰা বাঁহৰ চকোৱাৰ বেৰৰ ফুটাৰে চাবলৈ দিলে। বৰ বাইদেউৰ বয়স তেতিয়া ১০।১১ বছৰমান হ'ব। দুৰ্ভাগ্যবশতঃ তেওঁক তেতিয়া ডাঙৰ, শাৰীত ধৰা হৈছিল। বাইদেৱে বৰ লাজ পালে, বিশেষকৈ তেওঁ বাহিৰলৈ ওলাবলৈ বিচৰাতহে মনত বৰ দুখ পালে মনেমনে। ছোৱালীবিলাকে বিনা প্ৰতিবাদেৰে তেওঁবিলাকৰ ওপৰত জাপি দিয়া সকলো ব্যৱস্থা মানি চলিবলৈ বাধ্য হৈছিল। ইয়াৰ অন্যথা কৰিবলৈ তেওঁবিলাকৰ সাধ্য নাছিল।

ছোৱালীয়ে তাঁত-সূত বব নাজানিলে সেই সময়ত বৰ লাজৰ কথা আছিল। তাঁত বব নজনা ছোৱালীৰ বিয়া হোৱাই টান কথা আছিল। নিজৰ মাকেই ছোৱালীক তাঁত ববলৈ, কাপোৰত ফুল বাছিবলৈ শিকাইছিল, আৰু নিজৰ মাকৰ পৰাই ছোৱা-লীয়ে সকলো ঘৰুৱা কাম-বন শিকিব লাগিছিল।

সেই সময়ত ভাল মানুহৰ ছোৱালীক স্কুলত পঢ়িবলৈ নপঠাইছিল। ডিব্ৰুগড়ত সেই সময়ত দুই-এখন প্ৰাইমেৰী ছোৱালী স্কুল খুলিছিল বুলি মনত পৰে। আমাৰ দিনৰ ছোৱালীয়ে বোৱাৰী হৈ আনৰ ঘৰলৈ নোযোৱালৈকে পিতৃগৃহত অন্তেষ

পুৰত থাকি দৈনন্দিন ঘৰুৱা কাম-বন তাঁত-সূত বৈ কাল কটাব লগীয়াত পৰিছিল।

সেই সময়ত আত্মীয়-স্বজনৰ বিয়াবাৰুলৈ নাইবা ফুৰিবলৈ যাবলৈ হ'লে, চৈ দিয়া গৰুগাড়ী বা বন্ধ ঘোৰাগাড়ীত যোৱা মনত পৰে। আজিৰ তিৰোতা সকলৰ দৰে সেই দিনৰ তিৰোতাই ৰাজআলিয়েদি খোজ কাঢ়ি যোৱা নিয়ম নাছিল। বয়সস্থ তিৰোতাই ওচৰ চুবুৰীয়াৰ ঘৰলৈ যাবলৈ হলেও বৰ জাপিৰ তলতহে গৈছিল। মানুহ এজনে বৰ জাপিটো কাষে কাষে ধৰি যায়, তাৰ ওচৰে ওচৰে তিৰোতাসকলে খোজ কাঢ়ি যায়। একেলগে দুই বা তিনি গৰাকীমান তিৰোতাইহে যাব পাৰিছিল।

সেইকালৰ তিৰোতাসকলে কোনো দায়িত্বপূর্ণ কামৰ ভাৰ গ্ৰহণ কৰা মনত নপৰে। সামাজিক বা আৰ্থিক দায়িত্বভাৰ তেওঁবিলাকে বহন কৰিব লগাত নপৰিছিল ।

ছোৱালীক কম বয়সত বিয়া দিব পাৰিলে পিতৃ-মাতৃয়ে নিজৰ বৰ সৌভাগ্য বুলি ভাবিছিল। আগতে কৈ অহা হৈছে, ব্ৰাহ্মণৰ ছোৱালীক কন্যাকাল হোৱাৰ আগতে ধৰম বিয়া দিয়া প্ৰথা আছিল। গতিকেই ছোৱালী ডাঙৰ হৈ অহাৰ লগে লগেই ছোৱালীৰ কাৰণে অভিভাবকে দৰা খোজ-খবৰ কৰে। ছোৱালী কন্যাকাল হোৱাৰ পূৰ্বেই ছোৱালীক বিয়া দিব নোৱাৰিলে অভিভাৱকৰ মহা বিপদ। সমাজৰ বাহিৰ হব লগাত পৰিব।

এইখিনিতে মোৰ এটি ঘটনাৰ কথা মনত পৰিছে।

আমাৰ ঘৰৰ ওচৰত কিছুমান ব্ৰাহ্মণৰ পৰিয়ালে একেঠাইতে বাস কৰিছিল। সেই ঠাইখিনিক আমি "বামূণৰ চুক" বোলা মনত পৰে। যদুনাথ বৰুৱা নামেৰে এগৰাকী সম্ভ্ৰান্ত লোক সেই ঠাইত বাস কৰিছিল। তেখেতৰ অৱস্থা নদন-বদন আছিল বামুণ-চুকলৈ বাৰীৰ বাটেৰে আইহঁতৰ লগত সৰুতে আমাৰ

থোৱা মনত আছে। তেওঁবিলাকৰ ছোৱালীবোৰৰ লগত আমাৰ মিলা-প্ৰীতি আছিল।

যদু বৰুৱাৰ ৫।৬ গৰাকীমান ছোৱালী আছিল। প্ৰথম, দ্বিতীয় ছোৱালীক বৰুৱাই যথা সময়ত সজ-পাত্ৰ চাই বিয়া দিছিল। বিয়াৰ পিছত বামুণৰ ছোৱালীক ডাঙৰ নহয় মানে গিৰীয়েকৰ ঘৰলৈ নিয়াৰ নিয়ম নাই। বিয়াৰ পিচত ছোৱালীয়ে কমেও ২।৩ বছৰ মাকৰ ঘৰতে থাকে।

তৃতীয় ছোৱালীক বিয়া দিবৰ সময়ত বৰুৱাদেৱ বৰ চিন্তাত পৰিছিল। ছোৱালী ডাঙৰ হৈ আহিল, বৰুৱাও দৰা বিচাৰি হাইৰাণ হ'ল। দৰাৰ সন্ধেদ বিচাৰি বৰুৱাই নানা ঠাই ভ্ৰমণ কৰিও এই কাৰ্য্যত কৃতকাৰ্য্য হব নোৱাৰি হতাশ হৈ পৰিল। উত্তৰ গুৱাহাটীলৈকো তেওঁ দৰা বিচাৰি মানুহ পঠাইছিল।

বামুণৰ ছোৱালীক যথা সময়ত বিয়া দিব নোৱাৰিলে কি গতি হব (সমাজৰ কঠোৰ বান্ধোনৰ দ্বাৰা) এই কথা ভাবি অকল মাক-বাপেকেই নহয়, ওচৰ চুবুৰীয়া সকলেও ছোৱালীৰ পৰিয়ালৰ আসন্ন বিপদৰ আশঙ্কাত সমবেদনা নজনাই থাকিব নোৱাৰিছিল। মোৰ মনত পৰিছে, সয়নী বাই বুলি এজনী বাই আছিল। তাইৰ যোগে ইঘৰ-সিঘৰৰ বিষয়ে ঘৰৰ গৃহস্থনী সকলে খবৰ জানিব পাৰিছিল। সয়নী বাই আমাৰ ঘৰলৈ আহিলেই আমাৰ আয়ে প্ৰথমেই যদু বৰুৱাৰ তৃতীয় ছোৱালীৰ বিয়াৰ কথাকে সোধা মনত পৰে। সেই সময়ত ছোৱালীৰ বিয়াৰ কাৰণে বামুণ সমাজত ছোৱালীৰ পৰিয়ালবৰ্গৰ ভয়াবহ অৱস্থা হৈছিল।

অলপ সময়ৰ ভিতৰত উপযুক্ত পাত্ৰ বিচাৰি উলিয়াবলৈ সক্ষম নহৈ বৰুৱাই অৱশেষত নিজৰ ছোৱালীক আধা বয়সীয়াল দৰালৈকে বিয়া দিবলৈ বাধ্য হ'ল।

দুৰ্ভাগ্যবশতঃ যদু বৰুৱাৰ জীয়েক দুই-তিনি বছৰতে বিধৱা হ'ল। বৰুৱাই নিজৰ জীয়েকক লগতে ৰাখিলে। কিন্তু জীয়েকৰ

বৈধব্য যন্ত্ৰণা তেওঁ নিজৰ চকুৰ আগতে চাই থাকিব লগাত কষ্ট পাইছিল। বামুণৰ বিধবাৰ কি যে যন্ত্ৰণা! বিধবা হোৱা দিনৰে পৰা ছোৱালীয়ে নিজৰ সুখ-সম্ভোগ ভবিষ্যত জীৱনৰ আশা-আকাঙ্খা সকলো বিসৰ্জ্জন দিব লগাত পৰে। বামুণৰ বিধবাই উকা বস্ত্ৰ পৰিধান, নিৰামিষ আহাৰ, এক সন্ধ্যা ভোজন ব্ৰত মানিবলৈ বাধ্য হৈ পৰে। কম বয়সীয়া ছোৱালী এজনীৰ পক্ষে এনেকৈ আচৰণ কৰিবলৈ কিমান মনৰ বলৰ আৱশ্যক সি সহজে অনুমেয়। বিশেষকৈ নিজৰ মাতৃয়ে নিজে সকলো সম্ভোগ কৰি জীয়েকৰ এই শোক লগা অৱস্থা কেনেকৈ সহ্য কৰিব পাৰে ভাবিবলৈকে টান লাগে।

কিশোৰী বিধবাই যদি দুৰ্ভাগ্যবশতঃ স্বামীৰ ঘৰত থাকিব লগাত পৰে, স্বামীৰ পৰিয়ালবৰ্গৰ হাতত তেওঁ কিমান নিৰ্য্যাতন সহ্য কৰিব লগাত পৰে সি অবৰ্ণনীয়। যদু বৰুৱাৰ তৃতীয় কন্যাৰ মই সমসাময়িক আছিলোঁ বুলি মনে ধৰে। কিয়নো সেই সময়ত মই মনতে ভাবিছিলোঁ: কিয় মাক-বাপেকে ছোৱালীক এনেকৈ দিব লাগে, নিদিয়াকৈ ঘৰতে ৰাখিব নোৱাৰে জানো?

সেই দিনাৰে পৰা মোৰ হৃদয়ত নাৰীৰ নিৰ্য্যাতন দূৰ কৰা ভাব অঙ্কুৰিত হয়।

ছোৱালীক স্কুললৈ পঠোৱা, ছোৱালীক লিখা-পঢ়া শিকোৱাৰ বিৰুদ্ধে জনমত ইমান প্ৰবল আছিল যে দুই-এজন অভিভাৱকে ছোৱালীক একেবাৰে নিৰক্ষৰ কৰি ৰখাতকৈ কিছুদূৰ লিখা-পঢ়া শিকোৱাৰ পক্ষপাতী থাকিলেও সমাজৰ ভয়ত তেনে কৰিবলৈ অক্ষম হৈছিল। এইখিনিতে এটি আচল ঘটনাৰ বিষয়ে উল্লেখ কৰা সমীচীন হব।

শ্ৰীমতী অমল প্ৰভা দাসৰ আইতাক (তেওঁৰ মাক হেমপ্ৰভা দাসৰ মাক, দেৱীপ্ৰভা দত্ত আমাৰ পেহীদেউ আছিল। পেহীদেউৰ দুগৰাকী জীয়েক আছিল: প্ৰথম দুৰ্গাপ্ৰভা বৰা, আনগৰাকী হেমপ্ৰভা দাস। বাইদেউ দুগৰাকীক শিক্ষা

দিবৰ কাৰণে পেহীদেৱে কলিকতাত ঘৰ ভাড়া কৰি কেইবছৰমান আছিলগৈ। পেহীদেৱে তেনেকৈ ছোৱালীক স্কুলত লিখা-পঢ়া শিকোৱা দেখি মানুহে পেহীদেউৰ বিপক্ষে কৈছিল। বাইদেউ দুগৰাকীয়ে বেথুন স্কুলত পঢ়িছিল। ডাঙৰ গৰাকী বাইদেউক নৱম শ্ৰেণীলৈকে পঢ়াই সৰু গৰাকীক বেথুনৰ হোষ্টেলত ৰাখি পেহীদেউ অসমলৈ উভতি আহিল। ডাঙৰ বাইদেউক স্বৰ্গীয় ডাক্তৰ বিপিন বৰালৈ বিয়া দিলে। হেমপ্ৰভা বাইদেৱে স্কুলৰ হোষ্টেলত থাকি পঢ়ি এণ্ট্ৰেন্স পাছ কৰে আৰু আকৌ পিছৰ বছৰত কলিকতালৈ এফ-এ পঢ়িবলৈ যায়।

আমাৰ ডাঙৰ ককাইদেউ শ্ৰীৰজনী কান্ত বৰুৱাই সেই সময়ত এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ কলেজত পঢ়িবলৈ ওলাল। ককাইদেউৰ মই বৰ আদৰৰ ভনীয়েক আছিলো, মোৰ বয়স তেতিয়া ৮ বছৰমান হব। ককাইদেৱে হেমপ্ৰভা বাইদেউৰ লগত ৰাখি মোক বেথুনত পঢ়াবলৈ বৰকৈ ইচ্ছা প্ৰকাশ কৰিলে। প্ৰথমে আই-দেউতাই মোক ইমান সৰু থকাৰ কাৰণে পঠাবলৈ ভয় কৰিছিল। কিন্তু ককাইদেৱে নেৰানেপেৰাকৈ লগাত তেওঁৰ লগত মোক কলিকতালৈ পঠালে। ককাইদেৱে বেয়া পাব বুলিয়ে মই যাবলৈ ওলালোঁ। মই প্ৰায় কান্দি গৈছিলো ঘৰলৈ মনত পৰাত। তেতিয়া গুৱালগুলৈকে জাহাজত যাব লাগিছিল। জাহাজত বহুত বঙালী ভদ্ৰলোকৰ লগত দেখা হৈছিল। ককাইদেউৰ লগত কথা-বতৰা পাতিছিল, আৰু মোকো নানা কথা সোধা মোৰ মনত আছে। মই বঙলা ভাষা সমুলি বুজি নাপাইছিলোঁ। বোধকৰো সিও এটা কাৰণ যাৰ বাবে মই মুখেৰে একেবাৰে নামাতিছিলোঁ। জাহাজৰ পৰা নামি যেতিয়া আমি কলিকতাৰ ৰেলত উঠিবলৈ যাও, জাহাজত লগ পোৱা এজন ভদ্ৰলোকে মোক আগচি ধৰি কৈছিল, "ইমানদিন একেলগে থাকিও তোমাৰ মাত শুনিলো, কিন্তু কলিকতাৰ পৰা উভতি আহিলে কথা নকৈ থাকিব নোৱাৰিবা। নিশ্চয় কথা কব লাগিব।"

তেওঁৰ গোটেইখিনি কথা মই বুজি পোৱা নাছিলোঁ, ককাইদেৱে মোক সুধিলে "তোক এখেতে কি কৈছে বুজিছনে ?" মই ককাইদেউৰ মুখলৈ চালো মাত্ৰ। ককাইদেৱে উপৰোক্ত কথাখিনি ভদ্ৰলোকজনে কোৱা বুলি মোক বুজাই দিলে।

আমি কলিকতাৰ ৰেলষ্টেচনৰ পৰা সন্ধ্যা লগাৰ আগে আগে বেথুন স্কুল পালোগৈ। আমি উঠি যোৱা টম্‌টম্ গাড়ীখন স্কুলৰ কম্পাউণ্ডৰ ভিতৰত সোমাই হোষ্টেলৰ সম্মুখত ৰ'ল। আগতে মোক হোষ্টেলত থোৱামেলাৰ বিষয়ে বন্দোৱস্ত কৰি ৰখা হৈছিল। গেটৰ দাৰোৱানে সেইমতে হোষ্টেলত খবৰ-দিয়াত মই দেখিলো চিৰিয়েদি হেমপ্ৰভা বাইদেউ ওপৰৰ পৰা নামি আহিছে। ককাইদেৱে তেওঁক সৰু আইটি বুলি মাতিছিল।

ককাইদেৱে বাইদেউক কলে "সৰু আইটি এইক তোমাক গটালো, এইৰ সকলো ভাৰ তুমি লবা।" বাইদেৱে কলে, "এইজনীৰ কাৰণে আপুনি কোনো চিন্তা নকৰিব।" এই বুলি কৈয়ে মোক দাঙি চিৰিয়েদি উঠিগৈ শোৱা ঠাই পালেগৈ। হোষ্টেলত আবেলি চাৰি বজাতে ৰাতিৰ খোৱা-বোৱা শেষ হয়। মোৰ কাৰণে কিবা থৈছিল যদিও মই একো খাবলৈ ইচ্ছা নকৰাত, সেইদিনা ঠিক কৰি থোৱা বিচনাত শুই পৰিলোঁ।

প্ৰথম স্কুলৰ জীৱন বেথুন স্কুলত বঙলা ভাষাৰ মাধ্যমেৰে চলিব লগাত মোৰ পক্ষে কেনেকুৱা দুৰূহ অৱস্থা হৈছিল তাক সহজে অনুমেয়। বিশেষকৈ মই বঙলা ভাষা একেবাৰে নাজানিছিলোঁ। বাইদেউৰ লগত অসমীয়াৰে কথা পতাৰ বাহিৰে মই মুখ বন্ধ কৰিয়েই চলিব লগাত পৰিছিল। বাইদেৱে মোৰ লগত আনৰ আগত অসমীয়াৰে কথা কবলৈ ভাল নাপাইছিল। আনবিলাক ছোৱালীয়ে ভাবে আমি কি কথা কৈছোঁ কাৰ কথা কৈছোঁ, ইত্যাদি। দ্বিতীয়তে আমাৰ কথাবিলাক শুনিলে আমাৰ ভাষা "কটমট' উৰীয়া ভাষাৰ দৰে বুলি মন্তব্য কৰিবলৈ এৰা নাছিল।

ডাঙৰ ছোৱালীবোৰে বাইদেউৰ লগত বঙলাৰে কথা পাতিলে প্ৰথমে প্ৰথমে মই একোকে বুজিবকে নোৱাৰিছিলোঁ। মনতে ভাবিছিলোঁ মইনো এইবোৰ কথা কেনেকৈ কেতিয়া বুজিব পাৰিম। স্কুলত মই তেনেই তল শ্ৰেণীতে ভৰ্ত্তি হৈছিলোঁ। সহপাঠী বিলাকৰ লগত মিল হোৱাত, মই ভুলে-শুদ্ধই তেওঁবিলাকৰ লগত কথাবতৰা কৰবলৈ ভয় নকৰা হলোঁ। লাহে লাহে বঙলাতে কথা কব পৰা হলোঁ। স্কুলত পঢ়াত বঙলা ভাষাত পঢ়িব লগাত পৰিল। ক্লাছৰ ছোৱালীবিলাকৰ লগত বেচ মিলা-প্ৰীতি হবলৈ ধৰিলে।

সেই সময়ত স্কুলত হিন্দু আৰু ব্ৰাহ্ম ধৰ্ম্মৰ ছোৱালীয়ে পঢ়িছিল। ব্ৰাহ্মধৰ্ম্মৰ ছোৱালীয়ে উচ্চ শিক্ষা লাভ কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু হিন্দু ছোৱালীবোৰক সৰু কালতে বিয়া দিয়া নীতি কলিকতাতো দেখিবলৈ পাইছিলোঁ। সৰযূ নামেৰে মোৰ ক্লাছত এজনী হিন্দু ছোৱালীয়ে পঢ়িছিল। মই স্কুলত ভৰ্ত্তি হোৱাৰ কেইমাহমানৰ পিচতে তেওঁৰ বিয়া হৈ গ'ল। তেওঁৰ দৰাৰ ঘৰ আমাৰ হোষ্টেলৰ সম্মুখৰ দুতলা ঘৰ এটা আছিল বুলি মনত পৰে। বিয়াৰ পিচদিনা সৰযূক দৰা-ঘৰলৈ দোলাৰে লৈ অহা আমি হোষ্টেলৰ দুতলাৰ পৰা চাইছিলোঁ। সৰযূয়ে দোলাৰ কাপোৰখন গুচাই হোষ্টেলৰ ফালে চোৱা দেখিছিলোঁ, তেওঁৰ মূৰত একাঠি ওৰণি আছিল।

মই সদায় ঘৰলৈ চিঠি দি জনাইছিলোঁ গৰমৰ বন্ধত ঘৰলৈ গলে মই আৰু পঢ়িবলৈ কলিকতালৈ নাযাও। তেতিয়া মোৰ মনত এটা ভাব প্ৰবলভাবে সোমাইছিল যে আমাৰ দেশত ছোৱালীয়ে স্কুলত পঢ়া বৰ নিন্দনীয় কথা। বাইদেউহঁতকো (পেহীদেউৰ জীয়েক) স্কুলত পঢ়া দেখি আমাৰ সমাজৰ মানুহে তেওঁবিলাকক উপলুঙাৰ চকুৰে চাইছিল। মোকো অসমত তেনেকৈ ভাবিলে মোৰ খুব বেয়া লাগিব। মোৰ কথা মই ৰাখিলোঁ। বন্ধৰ পিচত মই আৰু কলিকতাত পঢ়িবলৈ ন'গলোঁ।

কলিকতাত মাত্ৰ ন মাহ পঢ়িছিলোঁ। মোক আৰু কিছুদিন পঢ়াবলৈ কলিকতাত দেউতা আৰু ককাইদেৱে ইচ্ছা কৰিছিল। কিন্তু মই নাযাবলৈ দৃঢ়প্ৰতিজ্ঞ। সেই একেটা কথাকে মোৰ মনত সোমাইছিল,-লিখা-পঢ়া শিকা ছোৱালীক আমাৰ সমাজত তলচকুৰে চায়।

ঘৰলৈ অহাৰ লগে লগেই মই আকৌ উমলি কাল কটাবলৈ ধৰিলো, পঢ়া-শুনা একবাৰে বাদ দিলোঁ। কলিকতাৰ শিক্ষয়িত্ৰী সকলে আমাক কেনেকৈ পঢ়াইছিল, পঢ়াওতে কেনেকৈ ধমক দিছিল, আমি কেনেকৈ ভয় কৰিছিলো, এইবিলাক কথা কৈ মোৰ ওমলা সঙ্গীবিলাকৰ লগত খেলি বৰ ভাল পাইছিলোঁ। ইতিমধ্যে আমাৰ ডিব্ৰুগড়ত ছোৱালীৰ কাৰণে প্ৰাইমেৰী স্কুল ঠায়ে ঠায়ে খোলা হৈছিল। ওচৰৰ ঘৰৰ সৰু সৰু ছোৱালীবিলাকে অলপ-অচৰপ ভাৱে স্কুললৈ অহা-যোৱা কৰা মনত পৰে। আমাৰ ঘৰৰ অভিভাবকে আমাক ডিব্ৰুগৰৰ নতুনকৈ পতা স্কুলত পঢ়োৱাৰ একেবাৰে বিপক্ষে আছিল। ছোৱালীক আলিবাটেদি খোজ কঢ়াই স্কুললৈ পঠোৱা কথাকে তেওঁবিলাকে ভাবিব নোৱাৰিছিল।

আমাৰ ওমলাকাল উকলি যোৱাত আমি তেতিয়াৰ সমাজৰ নীতি অনুসৰি তাঁত-বোৱা শিকিছিলোঁ, আইৰ ওচৰত। ঘৰুৱা কামবন আয়েই আমাক শিকাইছিল। আনকি আমি আগৰ দৰে আগফালৰ চোতাললৈকে ওলাব নোৱাৰিছিলোঁ। আমাৰ আগৰ বিদ্যাৰে মহাভাৰত, ৰামায়ণ, কীৰ্ত্তন আদি কিতাপ নিজে নিজে অৰশো পঢ়িছিলোঁ। প্ৰত্যেকৰ ঘৰে ঘৰে একোটি নামঘৰৰ ব্যৱস্থা আছিল। বোৱাৰী-জীয়ৰীহঁতেই পালপাতি নামঘৰ মচিছিল, নামঘৰত চাকি জ্বলাইছিল। সময়ে সময়ে নামঘৰত নৈবেদ্য আদি দি ঘৰৰ তিৰোতাসকলে নাম গাইছিল।

দেউতাৰ মাক, আইতাৰ লগত আমাৰ নাম গোৱা মনত পৰে। আইতাই নামৰ শেষত ফুটাই প্ৰাৰ্থনা কৰা মনত পৰেঃ

"হে গোলোকৰ ঈশ্বৰ, এইবাৰ মৰিলে মই যেন আৰু জনম নলওঁ। গোলোকত তোমাৰ গোপিনীসকলৰ লগত বাস কৰিবলৈ যেন পাওঁ। আইতাই ৰাধা-কৃষ্ণক বিশ্বাস কৰিছিল বুলি মনে ধৰিছিল। আইতাই আমাৰ আগত সদায় ৰাধা-কৃষ্ণৰ বিষয়ে সাধু কৈছিল।

বামুণৰ ছোৱালীক ৯।১০ বছৰৰ ভিতৰতে বিয়া দিবই লাগিছিল। কিন্তু অব্ৰাহ্মণ সম্ভ্ৰান্ত বংশৰ ছোৱালীক ১৪।১৫ বছৰৰ ভিতৰতে বিয়া দিব নোৱাৰিলে, অভিভাবকসকলৰ মনত বৰ চিন্তাই ঠাই পাইছিল। আমি চাৰি বাই-ভনী আছিলোঁ। আমাৰ বাইদেউ দুগৰাকীৰ কম বয়সতে বিয়া হৈছিল। ডাঙৰজনাক বিষ্ণু প্ৰসাদ দুৱৰালৈ, মাজুজনাক ইন্দিবৰ চলিহালৈ বিয়া দিছিল।

মোৰ মনত আছে, আই-দেউতা মোৰ বিয়াৰ কাৰণে বৰ ব্যস্ত হৈ পৰিছিল। আমাৰ দুজন ককাইদেউ আছিল। ডাঙৰ-জনৰ নাম ৰজনী কান্ত বৰুৱা, সৰুজনৰ নাম ৰোহিণী কান্ত বৰুৱা,। সৰু ককাইদেউ ডাক্তৰ আছিল, ডাঙৰজনে কাৰবাৰ কৰিছিল। মোৰ কাৰণে অহা বিয়াৰ প্ৰস্তাৱবিলাক লৈ তেওঁ-বিলাকৰ ভিতৰত নানা মতান্তৰ হৈছিল। মোৰ বিয়াৰ সম্পৰ্কে ঘৰতে তেনেকুৱা মতান্তৰ ঘটা দেখি মোৰ মনত সেই সময়ত কেনেকুৱা লাগিছিল মই বৰ্ণনা কৰিবলৈ অক্ষম। মই ভাবিছিলো, মই দেখোন বিয়া নকৰালেই সকলো সমস্যাৰ সমাধান হ'ব। মই চিন্তা কৰিছিলো-পেহীদেউৰ জীয়েক, বাইদেউহঁতেও দেখোন কলিকতাত পঢ়ি-শুনি আহিছিল। ময়ো পঢ়িবলৈকে কলিকতালৈ গুচি যাওঁচোন। সেই সময়ত হেমপ্ৰভা বাইদেৱে ডিব্ৰুগড়ৰ ছোৱালী এম-ই স্কুলত প্ৰধান শিক্ষয়িত্ৰীৰ কামত আছিল। তেওঁ এফ-এ পাছ কৰাৰ পিচত তেওঁৰ ডাক্তৰ হৰিকৃষ্ণ দাসৰ লগত বিয়া হৈছিল। ডাক্তৰ দাস ডিব্ৰুগড়ত চৰকাৰী ডাক্তৰ আছিল। ডিব্ৰুগড়ত এম-ই ছোৱালী স্কুলত ইংৰাজী জনা শিক্ষয়িত্ৰী কাম কৰিব পৰা সেই সময়ত একমাত্ৰ বাইদেৱেই আছিল।

চৰকাৰৰ পৰা ৰৰকৈ বাইদেউক ধৰাত বাইদেৱে সেই কাম লয়।
এদিন মৰণত শৰণ দি মোৰ মনৰ ভাৱ ব্যক্ত কৰি আইক, আমাক মোক আৰু ভনী সুৰবালাক, কলিকতাত পঢ়াবলৈ ধৰিলোঁ।

ডাঙৰ ছোৱালীয়ে বিদেশত পঢ়িবলৈ যোৱা কথা সেই সময়ত কোনেও সমৰ্থন নকৰে, সেই কথা মই ভালকৈ বুজিব পাৰিছিলো। বহুত দিন পঢ়িবলৈ যোৱা কথা মুখেৰে প্ৰকাশ কৰিবলৈ মোৰ সাহেই নহৈছিল। তথাপি অন্তৰ্মনে নমনাত দুঃসাহসত ভৰ দি মই আইক পঢ়িবলৈ ইচ্ছা কৰা কথা কলোঁ। প্ৰথমে আয়ে বিচুৰ্ত্তি খাই উঠিল। মোক কলে, "কি নাশ্ৰুত-নাভূত কথা তই কৈছ। এতিয়ানো স্কুলত পঢ়া সময় আছেনে? মানুহে কি বুলিব আমাক-এতিয়া ছোৱালীক কলিকতাত পঢ়িবলৈ পঠালে?" আইৰ মনোভাৱ জানিব পাৰি মই হতাশ হৈ পৰিলোঁ। মই চাঁৰিও-পিনে অন্ধকাৰ দেখিলোঁ। নিজৰ মন স্থিৰ কৰিবৰ কাৰণে ভগৱানক অশেষ প্ৰাৰ্থনা জনালোঁ। আইদেউতাৰ আদৰ্শত আমাৰ সৰুকালৰে পৰা ভগৱানত বৰ বিশ্বাস জন্মিছিল।

মই ভাবিবলৈ ধৰিলোঁ—মই জানো কিবা বেয়া কাম কৰিব খুজিছোঁ? মই মাত্ৰ শিক্ষা লাভ কৰিবলৈহে বিচাৰিছোঁ। শিক্ষা লাভ কৰাৰ পৰা ছোৱালীক বঞ্চিত কৰা কেনেকুৱা সমাজ? এই সমাজৰ বিৰুদ্ধে আচৰণ কৰিবলৈ আই-দেউতাৰেই বা কেনেকৈ সাহ হব? মোৰ পঢ়িবলৈ ইমান মন হৈছিল যে মই কোনোমতেই সেই ইচ্ছা দমাব নোৱাৰিলোঁ। মই সেই চিন্তাতে দিনে-ৰাতিয়ে শান্তি নোপোৱা হলোঁ। মোৰ মনৰ চিন্তা দেখি আয়ে এদিন দেউতাক কলে—ইমানকৈ পঢ়িবলৈ বিচাৰিছে যেতিয়া ঘৰতে কোনো উপায়েৰে পঢ়িবলৈ বন্দোৱস্ত কৰি দিব নোৱাৰিনে? কিন্তু তিৰোতা মাষ্টৰণীৰ সেই সময়ত একেবাৰে অভাব আছিল। সেই সময়ত আমাৰ বৰ বাইদেউৰ

গিৰীয়েক, বিষ্ণু প্ৰসাদ দুৰৰা আমাৰ ভিনিহিদেউ ডিব্ৰুগড়লৈ বদলি হৈ আহি মুন্সিফ কাম কৰিছিল। বাইদেউৰ তেতিয়া তিনিজন লৰা-ছোৱালী। ডাক্তৰ লক্ষ্মী প্ৰসাদ চলিহা, আমাৰ আইৰ ফালৰ পৰাই সম্বন্ধীয়া ককাই হয়। ডাক্তৰ চলিহাই ডিব্ৰুগড় বেৰীহোৱাইট স্কুলত শিক্ষকতা কৰিছিল। ডাক্তৰ হৰিকৃষ্ণ দাস, ভিনিদেউ, হেমপ্ৰভা বাইদেউৰ গিৰীয়েকো সেই সময়ত ডিব্ৰুগড়লৈ বদলি হৈ আহে। তেওঁবিলাক তিনিউজনে প্ৰায়ে গধূলি আমাৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। তেওঁবিলাকে আমাৰ আইৰ লগত দেশৰ নানা বিষয়ে কথা-বতৰা পতা শুনিছিলোঁ। তেওঁবিলাকৰ যত্নতে সেই সময়ত ডিব্ৰুগড়ত লৰাৰ কাৰণে জৰ্জ্জ স্কুল স্থাপিত হৈছিল।

মোৰ পঢ়িবলৈ ইচ্ছা হোৱাৰ বিষয়ে আয়ে তেওঁবিলাকৰ আগত কৈছিল। ভিনিহিদেউহঁত আৰু ডাক্তৰ চলিহাই কথাটো সমৰ্থন কৰিলে, আনকি মাজে-সময়ে তেওঁবিলাকৰ অৱসৰ সময়ত মোক আৰু মোৰ সৰু ভনীজনীক পঢ়া চাই দিবলৈও গাত ললে। আমি-পঢ়িবলৈ ইচ্ছা কৰাত আমাৰ বৰ বাইদেৱেও ঘৰতে পঢ়িবলৈ ওলাল।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ত কোনো কোনো ছোৱালীৰ পঢ়িবলৈ মন আছিল, কিন্তু পঢ়া সমাজ-বিৰোধী কাম হব বুলি ভাবিয়েই তেওঁবিলাকে মনৰ ইচ্ছা মনতে লোপ নিয়াইছিল।

আমি নিজে নিজেই পঢ়িবলৈ আৰম্ভ কৰিলোঁ। মাজে-সময়ে ভিনিহিদেউ আৰু ডাক্তৰ চলিহা ককাইদেৱে গধূলি তেওঁবিলাকৰ অৱসৰ সময়ত আমি বুজিব নোৱৰা কথাখিনি বুজাই দিছিল। পাটিগণিতৰ নিয়মবিলাক পঢ়িয়েই অঙ্ক কৰিছিলোঁ, নুবুজাখিনি ভিনিহিদেৱে বুজাই দিছিল। ইংৰাজী কিতাপৰ নুবুজাখিনি ডাক্তৰ ককাইদেৱে বুজাইছিল। এইদৰেই নিজৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি পঢ়া আৰম্ভ কৰিছিলোঁ। কেতিয়াবা কেতিয়াবা

কিতাপ শেষ কৰিবৰ কাৰণে পঢ়োতে আমাৰ বহুত ৰাতি হৈছিল। আয়ে খং কৰাতহে শুবলৈ যাওঁ। সেই সময়ত আমাৰ কেৱল পঢ়াই ধ্যান। আমি বুজিব পাৰিছিলোঁ—মানুহে অন্তৰেৰে মন দি কাম কৰিলেই সকলো কৰিব পাৰে। মানুহৰ অসাধ্য একো নাই। কেনেকৈ কলিকতালৈ যোৱা হলে ওপৰ ক্লাছত নাম লিখাব পাৰিম, আমি তাৰেই চিন্তা কৰিছিলোঁ।

এনেকুৱা সময়তে আমাৰ ঘৰত এটা বৰ ডাঙৰ দুৰ্ঘটনা ঘটিল।

আমাৰ সৰু ককাইদেৱে 'শুকান পুখুৰী' বোলা বাগিচাত ডাক্তৰী কাম কৰিছিল। বাগিচাতে তেওঁৰ কলা জ্বৰ হ'ল। সেই সময়ত ব্ৰহ্মচাৰী আদি ক'লা জ্বৰৰ বেজী ওলোৱা নাছিল। ককাইদেৱে তিনিমাহমান জ্বৰত ভুগিছিল। বহুত চিকিৎসা কৰিও কোনোমতে তেওঁৰ জ্বৰ নকমিল। অৱশেষত তেওঁক সুন্দৰবনৰ পৰাও জাহাজেৰে ফুৰাই অনা হল। তেওঁৰ লগত বৰ ককাই-দেউ গৈছিল, সৰু ককাইদেউৰ জ্বৰৰ উত্তাপৰ বিষয়ে বৰ ককাই-দেৱে জাহাজৰপৰা টেলিগ্ৰাম কৰি ঘৰলৈ জনাইছিল। টেলিগ্ৰাম অহাৰ লগে লগে ঘৰৰ সকলোয়ে জ্বৰ এৰিছেনে নাই জানিবৰ কাৰণে ব্যগ্ৰ হৈ পৰা মনত পৰে। প্ৰথম কেইদিনমান জ্বৰ কমাৰ খবৰ পাই, সকলোৰে মনত ভাল লাগিছিল, কিন্তু পিচলৈ জ্বৰ একেদৰেই থকাৰ খবৰ জানি আমাৰ সকলোৰে মনত বৰ চিন্তা জন্মিছিল। একৈশ দিনৰ পিচত ককাইদেউক ঘৰলৈ ওভোতাই অনা হ'ল।

মোৰ এটা ঘটনা এতিয়াও মনত পৰে। ককাইদেউ বৰ দুৰ্ব্বল হৈ পৰিছিল। তেওঁক ধৰি মেলি ভিতৰলৈ সুমুৱা হৈছিল। তেওঁক থোৱা কোঠাটোৰ দুৱাৰডালিতে তেওঁ বাহিৰৰ ফালে বহি পৰিল, সোমাব নোৱাৰিলে। তেতিয়াই আইৰ মুখ বিবৰ্ণ হৈ পৰিছিল। মৃত্যুৰ পিচত আইক কোৱা শুনিছিলোঃ সি ভিতৰলৈ সোমোৱাত বাধা জন্মাতেই মোৰ লৰা নাবাচে বুলি বুজিছিলো।"

সেই সময়ত মৃত্যুৰ পূৰ্বেই মানুহক বাহিৰলৈ উলিউৱা নিয়ম আছিল, নহলে ঘৰ পেলনি যায় বুলি মানুহৰ বিশ্বাস আছিল।

সুন্দৰবনৰ পৰা অহাৰ এসপ্তাহমানৰ পিচত এদিন দুপৰীয়া এঘাৰমান বজাত সৰু ককাইদেৱে আমাক শোক সাগৰত ডুবাই ইহলীলা সম্বৰণ কৰিলে। সেইদিনা ৰাতিপুৱাৰে পৰা তেওঁৰ অৱস্থা বৰ বেয়ালৈ যায়। আয়ে অহৰহ তেওঁৰ ওচৰত আছিল, আমিও একোবাৰ গৈ চোৱা মনত পৰে। এবাৰ মই যাওঁতে ককাইদেৱে আইক কোৱা শুনিছিলো, “চিপাহী দুটাক খেদাই দিয়া!” তেওঁ তেতিয়া ভ্ৰম বকিছিল। মোৰ মনত পৰে মই লৰ মাৰি গৈ আমাৰ নামঘৰত পৰি কাকুতি কৰি ঈশ্বৰক ককাইদেউক ৰক্ষা কৰিবলৈ খাটিছিলোঁ। ক্ষন্তেকতে ককাইদেৱে চকু থিৰ কৰাত ঘৰত হুৰা-দুৰা লাগিল। তেওঁক উলিয়াই নি আগচোতালত ৰখা হ’ল। আমি ঘৰৰ ভিতৰত বাগৰি বাগৰি কন্দা মনত পৰে। আইৰ অৱস্থা অতি শোচনীয়, দুই তিনি-গৰাকী তিৰোতাই আইক ধৰি ৰাখিছিল। চোতালতে আই মূৰ্চ্ছা গল। বৰ ককাইদেৱে অধৈৰ্য্য হৈ কান্দি উঠিছিল। কিন্তু দেউতাই অসীম ধৈৰ্য্যৰে, পুতেকৰ কাণৰ ওচৰত “লোকনাথ ৰাম ৰাম বোলা” বুলি নাম সোঁৱৰাইছিল। সৰু ককাইদেউক দেউতাই বৰ মৰম কৰিছিল আৰু খুব ভালো পাইছিল। সকলো মানুহে দেউতাৰ কথাত বিচুৰ্ত্তি হৈছিল। দেউতাই বিশ্বাস কৰিছিল, মৃত্যুৰ সময়ত ৰাম নাম ললে জীৱই গতি পায়। মৰমতে সৰু ককাইদেউক দেউতাই ‘লোকনাথ’ বুলি মাতিছিল। পুতেকৰ পৰকাল গতিৰ কাৰণেই দেউতাই সেই সময়ত শোক পৰিত্যাগ কৰি ৰাম নাম সোঁৱৰাইছিল।

আমাৰ ঘৰ শোক-ছাঁয়াই ঢাকি পেলালে। দেউতাই সৰু ককাইদেউক হেৰুৱাই সংসাৰ অসাৰ বুলি ভাবিছিল। দেউতাই তেওঁৰ ওপৰত বৰ আশা কৰিছিল।

আমাৰ সৰু কালৰেপৰা দেউতা ঘৰত সপ্তাহত দুদিন থকাই মনত পৰে। শনিবাৰে গধূলি ঘৰলৈ আহে। দেওবাৰে ঘৰত থাকে, সোমবাৰে ৰাতিপুৱা কামৰ ঠাইলৈ গুচি যায়। দেউতাৰ নাম ৰমাকান্ত বৰুৱা, তেখেতে ৰেলৱে কোম্পানী, শ মিল আদিৰ এছিষ্টেণ্ট ছুপাৰিণটেণ্ডেণ্টৰ কাম কৰিছিল। সদায় মাকুম, মাৰ্ঘেৰিটা, টিংৰাই আদিত ঘূৰি ফুৰিব লাগিছিল। তেখেতৰ থকা ঠাই মাকুম আৰু মাৰ্ঘেৰিটাই আছিল।

দেউতা মহাপুৰুষীয়া ধৰ্ম্মৰ আছিল। পূজা-পাতল কৰাৰ তেখেত বিপক্ষে আছিল। তেখেতে সদায় এষাৰ কথা কৈছিলঃ "অন্য দেৱী দেৱ নকৰিবা সেৱ. গৃহকো নাযাইবা প্ৰসাদো নাখাইবা......।" ওচৰৰ দেৱী পূজাৰ প্ৰসাদ, পাঠা আদি আমাৰ ঘৰলৈ পঠালে সেই প্ৰসাদ ভিতৰত ৰন্ধা নিষেধ আছিল। ককাই-দেউহঁতে খাওঁ বুলিলে বাহিৰতে ৰন্ধাই খাইছিল। ছোৱালীয়ে পাঠাৰ মঙহ আদি খোৱা নিষেধ। সৰুককাইদেউ ঢুকুৱাৰ পিচত আইদেউতাই আমাক বিয়া দিয়া চিন্তা ঢিলাই দিলে। বৰং আমাক পঢ়োৱাৰ কথাকে অন্তৰত ঠাই দিছিল যেন আমাৰ মনে ধৰিছিল।

আমি ভাবিবলৈ ধৰিলো আইক ঘৰত অকলে এৰি আমিনো কেনেকৈ বিদেশত পঢ়িবলৈ যাওঁ। বৰ ককাইদেউ ৰজনীকান্ত বৰুৱাই সেই সময়ত হাতীৰ কাৰবাৰ কৰিছিল। কোম্পানী কৰি হাতীৰ গড় লৈছিল। বেছিভাগ সময় তেওঁ হাবিতে থাকিব লগাত পৰিছিল। বিয়া কৰোৱাৰ কথা ককাইদেৱে ভবাই নাছিল।

আমাক পঢ়াবলৈ কলিকতালৈ পঠোৱা বিষয়ে আয়ে ককাই-দেউক সোধাত তেওঁ কোৱা মনত পৰেঃ 'এতিয়া বিদেশত পঢ়িবলৈ যোৱা বিষয়ে ভালকৈ চিন্তা কৰি চাব লাগিব। পঢ়ি শুনি পাছ কৰি আহিব পাৰিলে খুবেই ভাল কথা হ'ব। সিহঁতে নিজৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব পাৰিব। কিন্তু ঘৰত শিকা সামান্য বিদ্যাৰে সিহঁতে বা কোন শ্ৰেণীত ভৰ্ত্তি হব পাৰিব ?

যদি স্কুলত পঢ়িবলৈ গৈ পৰিব নোৱাৰি উভতি আহিব লগাত পৰে তেন্তে সিহঁতৰ ভবিষ্যত জীৱনৰ গতি কি হব?"

মই কিন্তু আইক সদায় বুজাবলৈ চেষ্টা কৰিছিলো মই নিশ্চয় অষ্টম শ্ৰেণীত নাম লগাব পাৰিম। ভনীজনীয়ে সপ্তমত পাৰিব। আয়ে মোৰ কথাত কিমান দূৰ বিশ্বাস কৰিছিল কব নোৱাৰো, কিন্তু দেউতাক আমি পঢ়িবলৈ যোৱাৰ বিষয়ে আমাৰ বৰ ইচ্ছা থকা বুলি জনাইছিল। দেউতা ছোৱালীক পঢ়োৱা কথাটোত বেছি বিপক্ষে নাছিল, সমাজৰ নিয়ম পালন কৰিহে ছোৱালীক সোনকালে বিয়া দিয়াৰ সপক্ষে আছিল। আমাৰ পঢ়িবলৈ ইমান মন হোৱা জানি এদিন দেউতাই নিজে আমাক মাতি সুধিছিল, "আইটি, তোমালোকে যে এতিয়া পঢ়িবলৈ বিদেশলৈ যাবলৈ ওলাইছা, তাত গৈ পঢ়িব পাৰিবা জানো? মই বুঢ়া হৈ আহিছো, পিচত আমাক নোদোষাতো?" আমি দেউতাক কোনো উত্তৰকে নিদিলো, মাত্ৰ তেখেতৰ কথা শুনি থাকিলোঁ, আমি দেউতাক বৰ লাজ আৰু শ্ৰদ্ধা কৰিছিলো, মুখ ফুটাই কোনো কথাকে কোৱা মনত নপৰে। আইৰ জৰিয়তেহে আমাৰ সকলো কথা দেউতাক জনাইছিলোঁ।